# 2021

( Held in 2022 )

## ASSAMESE

( Honours )

Paper : ASM–HC–1016

( অসমীয়া সাহিত্যৰ বুৰঞ্জী )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নবোৰৰ অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' গ্ৰন্থত মধ্যযুগক কেইটা পৰ্যায়ত বিভক্ত কৰিছে?

(খ) 'অসমীয়া সাহিত্যৰ ৰূপৰেখা' গ্ৰন্থখনৰ প্ৰথম তাঙৰণ কেতিয়া প্ৰকাশ হৈছিল?

(গ) দেবেন্দ্ৰনাথ বেজবৰুৱাই ৰচনা কৰা অসমীয়া সাহিত্যৰ বুৰঞ্জী গ্ৰন্থখনৰ নাম কি?

(ঘ) কিমান চনত মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপাল ৰাজদৰবাৰ গ্ৰন্থালয়ৰ পৰা 'চৰ্যাপদ'সমূহ উদ্ধাৰ কৰে?

(ঙ) 'শ্ৰীকৃষ্ণ-কীৰ্তন' কাব্যখনৰ বৰ্ণনীয় বিষয় কি?

(চ) তিব্বতী ভাষাত 'ডাক' শব্দৰ অৰ্থ কি?

(ছ) 'হৰগৌৰী সংবাদ' ৰচনা কৰা কবিজনাৰ নাম কি?

(জ) 'গুণ-মালা' পুথিখন কি ছন্দত লিখা হৈছিল?

(ঝ) ভট্টদেৱৰ প্ৰকৃত নাম কি?

(ঞ) " 'গীতি-ৰামায়ণ' বাল্মীকিৰ মহাকাব্যৰ গাঁৱলীয়া তাঙৰণ মাথোন"—এই কথাষাৰ কোনে কৈছিল?

২। তলৰ প্ৰশ্নবোৰৰ চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) কামৰূপৰ দুগৰাকী চৰ্যাকাৰৰ নাম লিখা।

(খ) 'অসমীয়া সাহিত্যৰ চানেকি' গ্ৰন্থখন কাৰ ৰচনা? অসমীয়া সাহিত্যৰ প্ৰাচীন কালটোক ইয়াত কি বুলিছে?

(গ) অসমীয়া সমাজত প্ৰচলিত দুটি ডাকৰ বচনৰ উদ্ধৃতি দিয়া।

(ঘ) 'শূন্যপুৰাণ' কোনে ৰচনা কৰিছিল? ইয়াৰ মূল বিষয়বস্তু কি?

(ঙ) কমতাপুৰৰ ৰজাৰ অনুপ্ৰেৰণা লাভ কৰা কবিসকলৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ কবিজন কোন? তেওঁৰ দুখন কাব্যৰ নাম লিখা।

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) অসমীয়া ভাষা-সাহিত্যলৈ বাণীকান্ত কাকতিৰ অৱদান সম্পৰ্কে চমুকৈ লিখা।

(খ) 'শ্ৰীকৃষ্ণ-কীৰ্তন'ৰ এটি পৰিচয়মূলক টোকা লিখা।

(গ) প্ৰাক্-শংকৰী যুগৰ কবিসকলৰ কাব্যৰ সাধাৰণ বৈশিষ্ট্য সম্পৰ্কে চমুকৈ লিখা।

(ঘ) ভট্টদেৱৰ ৰচনাৱলীৰ ক্ৰম সম্পৰ্কে সাহিত্যৰ বুৰঞ্জীৰ আধাৰত লিখা।

(ঙ) 'বেউলা-আখ্যান'ৰ বিষয়ে এটি টোকা যুগুত কৰা।

(চ) চমু টোকা লিখা : 'নামঘোষা'ত প্ৰতিফলিত দাস্যভাৱ।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) সত্যেন্দ্ৰনাথ শৰ্মাকৃত অসমীয়া সাহিত্যৰ যুগ-বিভাজন সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(খ) ডাকৰ বচনত অসমীয়া সমাজ-জীৱনৰ কোনবোৰ দিশ প্ৰকাশিত হৈছে, উদাহৰণসহ আলোচনা কৰা।

(গ) অসমীয়া সাহিত্যৰ বুৰঞ্জীত 'চৰ্যাপদ'ৰ স্থান নিৰূপণ কৰা।

(ঘ) মাধৱ কন্দলিৰ কাব্য-প্ৰতিভা সম্পৰ্কে এটি সমালোচনাত্মক নিবন্ধ যুগুত কৰা।

(ঙ) শংকৰদেৱৰ নাটৰ বৈশিষ্ট্য সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা।

(চ) সুকবি নাৰায়ণদেৱৰ চমু পৰিচয় উল্লেখ কৰি তেওঁৰ সাহিত্যকৃতি সম্পৰ্কে বিশদ বিৱৰণ দিয়া।

(ছ) অসমীয়া নাট্য-সাহিত্যলৈ 'ঝুমুৰা' কাৰ অৱদান? তেওঁৰ ঝুমুৰা কেইখনৰ চমু পৰিচয় দিয়া।

(জ) শংকৰী যুগৰ সাহিত্যৰ সাধাৰণ বিশেষত্ব সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

★★★